HS/XI/A.Sc.Com/A/20

2020

ASSAMESE

(Modern Indian Language)

Full Marks : 100

Time : 3 hours

The figures in the margin indicate full marks for the questions

General Instructions :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part — A Objective Questions serially.

(iii) Attempt all parts of a question together at one place.

(PART : A – OBJECTIVE)

(*Marks* : 50)

SECTION – I

(*Marks* : 20)

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ, পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (**এটা** বা **দুটা** শব্দৰে) ঃ ১×১০ = ১০

(ক) 'জীৱনৰ শান্তিপর্ব' প্ৰবন্ধটোৰ লেখক কোন ?

(খ) 'কৃপাবৰ বৰবৰুৱা' কাৰ ছদ্মনাম ?

(গ) বধকাব্যসমূহ কোনে ৰচনা কৰিছিল ?

(ঘ) অসমৰ খেল-ধেমালি প্ৰবন্ধটো কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে ?

(ঙ) 'ক্ৰীয়াঙ্গণ' শব্দৰ অর্থ কি ?

(চ) বৰগীতসমূহ কি ভাষাত ৰচিত ?

(ছ) চন্দ্ৰকুমাৰ আগৰৱালাৰ এখন কবিতাপুথিৰ নাম লিখা।

(জ) 'লাচিত ফুকন' কবিতাটোৰ কবি কোন ?

(ঝ) ফাতেমা কোন ?

(ঞ) চিৰাজ কোন শ্ৰেণীৰ নাটক ?

২। শুদ্ধ নে অশুদ্ধ লিখা (কেৱল **শুদ্ধ** বা **অশুদ্ধ** বুলি উত্তৰ - বহীত লিখা)ঃ ১×৫ = ৫

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ ছদ্মনাম বীণা বৰুৱা।

(খ) বৰগীত ৰাম সৰস্বতীৰ ৰচনা।

(গ) চিৰাজ এখন সামাজিক নাটক।

(ঘ) দেৱকান্ত বৰুৱা এজন সফল ৰাজনীতিবিদ আছিল।

(ঙ) সীতাৰ মাকৰ নাম সাৱিত্ৰী।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দৰে খালী ঠাই পূৰ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা। ১×৫ = ৫

(ক) _____ বয়স প্ৰিয় বস্তু নহয়।

(খ) ৰূপে কোটি মদন _____ মোহন।

(গ) এদাক দেখি _____ গা, কেতুৰিয়ে বোলে মোকো খা।

(ঘ) সেই মৃত্যু _____ ফুল।

(ঙ) জাতি-বিজাতি _____ গঢ়া, ইশ্বৰে গঢ়া নহয়।

SECTION – II

(*Marks* – 30)

৪। তলৰ যিকোনো **দহটা** প্ৰশ্নৰ উত্তৰ, উত্তৰ-বহীত লিখা (প্ৰতিটো প্ৰশ্নৰ উত্তৰ তিনিৰ পৰা ছয় শাৰীৰ ভিতৰত) ঃ ৩×১০ = ৩০

(ক) মানুহৰ জীৱনৰ প্ৰধান স্তৰ কেইটা কি কি?

(খ) তিনিখন বধকাব্যৰ নাম লিখা।

(গ) পুৰণি কালত অসমত প্ৰচলিত তিনিবিধ খেলৰ নাম লিখা।

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ এটি চমু পৰিচয় দিয়া।

(ঙ) মাধৱদেৱ কোন? তেওঁৰ দুখন ঝুমুৰাৰ নাম লিখা।

(চ) কন্দর্প কোন আছিল? তেওঁ কাক বিয়া কৰাইছিল?

(ছ) লাচিত বৰফুকন কোন শ্ৰেণীৰ কবিতা? কবিতাটিৰ কবিগৰাকীৰ নাম কি? তেওঁৰ একমাত্ৰ কবিতা পুথিখনৰ নাম কি?

(জ) অর্থ লিখাঃ
নকল-নবীছ, লতিকা, ছায়াবাজি।

(ঝ) সীতাৰ পিতৃ কোন? তাই কাৰ ঘৰত ডাঙৰ-দীঘল হৈছিল।

(ঞ) নাটকৰ যিকোনো তিনিটা উপাদান লিখা।

(ট) চিৰাজ নাটকখন কিমান চনত ৰচিত হৈছিল? নাটকখনৰ দুটা নাৰী চৰিত্ৰৰ নাম লিখা।

(ঠ) 'এখন চিঠি' কবিতাটিৰ সৈনিকজনৰ পত্নীৰ নাম কি? তেওঁ পত্নীক কি বুলি অনুৰোধ কৰিছে?

(ড) মাধৱদেৱৰ সাহিত্যকৃতিৰ চমু পৰিচয় দাঙি ধৰা।

(PART : B — DESCRIPTIVE)

(*Marks* – 50)

৫। তলৰ যিকোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা।

(ক) 'জীৱনৰ শান্তিপর্ব' পাঠটিৰ জৰিয়তে লেখকে প্ৰকৃততে কি ক'ব বিচাৰিছে বুজাই লিখা। ৭

(খ) আহোম যুগৰ খেল-ধেমালিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটা টোকা লিখা। ৭

(গ) 'বধকাব্য' নামৰ পাঠটোৰ ৰচক কোন? বধকাব্যসমূহ কি উদ্দেশ্যে ৰচনা কৰা হৈছিল বহলাই লিখা। ১ + ৬ = ৭

৬। তলৰ যিকোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা।

(ক) 'এখন চিঠি' কবিতাটোৰ মূলভাব লিখা। ৭

(খ) প্রসংগ সংগতি দর্শাই ব্যাখ্যা কৰা ঃ ৭

আকউ এবাৰ শুনোৱা তোমাৰ ৰণ-আহ্বান-বাণী
আকউ এবাৰ ৰঙা কৰি মৰোঁ লুইতৰ বগা পানী।

(গ) 'লাচিত ফুকন' কবিতাটোৰ মাজেৰে কবিৰ স্বদেশপ্রেম কেনেদৰে প্রকাশ পাইছে আলোচনা কৰা। ৭

৭। তলৰ যিকোনো **এটা** প্রশ্নৰ উত্তৰ লিখা।

(ক) কন্দর্প কোন আছিল? চিৰাজ নাটকৰ প্রথম অংকত কন্দর্পৰ চৰিত্রটো কেনেদৰে অংকন কৰা হৈছে আলোচনা কৰা। ৬

(খ) 'চিৰাজ' নাটকৰ মূল কি? 'চিৰাজ' নাটকক সামাজিক নাটক বুলি ক'ব পাৰিনে? সামাজিক নাটকৰ চাৰিটা বৈশিষ্ট্য লিখা। ১ + ১ + ৪ = ৬

(গ) চমুটোকা লিখাঃ (যি কোনো দুটাৰ) ৩ + ৩ = ৬
সাৰিত্রী, আঘোনা, বৰুৱানী।

(ব্যাকৰণ ভাগ)

৮। (ক) পদ কাক বোলে? পদ কেইবিধ আৰু কি কি? প্রত্যেক বিধৰে একোটাকৈ উদাহৰণ দিয়া। ৫

(খ) তলৰ বিশেষ্য পদ কেইটা বিশেষণ পদলৈ পৰিবর্ত্তন কৰা। (যি কোনো পাঁচটা)
পর্বত, নাটক, কবিতা, গাঁও, ল'ৰা, ঘৰ, দুখ। ৫

(গ) সমাস কাক বোলে? সমাস কেই প্রকাৰৰ আৰু কি কি? ৫

৯। তলৰ যিকোনো **এছোৱাৰ** ভাৰ সম্প্রসাৰণ কৰাঃ ৫

(ক) এশ গৰু মাৰিলে বাঘৰো মৰণ।

(খ) অভ্যাসৰ নৰ কর্ণপথে কৰে শৰ।

(গ) যি মূলা বাঢ়ে তাৰ দুপাততে চিন।

১০। তলৰ খণ্ডবাক্য কেইটাৰে অর্থপূর্ণ বাক্যৰচনা কৰা। (যিকোনো **চাৰিটা**)ঃ ১ × ৪ = ৪

কুন্দত কটা, ধোদৰ পচলা, নপতা ফুকন, হাত দীঘল, আকাশত চাংপতা, চকু চৰহা, পানীত হাঁহ নচৰা, ডলাৰ বগৰী।

১১। তলৰ কথাখিনিৰ সাৰাংশ লিখা (যিকোনো **এছোৱাৰ**) ঃ ৬

(ক) মই মৰিলেও দিন গ'লে ৰাতি হ'ব, জোন বেলি ওলাই থাকিব, গছত ফুলিব ফুল, বতাহ বলিব নিজ বাটে নক্ষত্র ঘুৰিব। আজিৰ দৰে ই নিতে জগত চলিব, নাই তাত অকনো সংশয়। এই বিশ্ব সংসাৰত কোনো নিয়মৰে লৰচৰ অলপো নহয়।

(খ) সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ।
সুখ বিচাৰোতে পায় সংসাৰত
দুখৰ উপৰি দুখ।

★★★

HS/XI/A/a/20

2020

ASSAMESE

(Elective)

Full Marks : 100

Time : 3 hours

The figures in the margin indicate full marks for the questions

General Instructions :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part — A Objective Questions serially.

(iii) Attempt all parts of a question together at one place.

(PART : A – OBJECTIVE)

(*Marks* : 50)

SECTION – I

(*Marks* : 20)

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ, পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (*দুটা* বা *তিনিটা* শব্দৰে) ঃ ১×১০ = ১০

(ক) অসমীয়া কাব্য জগতত বিহগী কবি কোন?

(খ) 'বশিষ্ঠাশ্রম' কবিতাৰ কবিজনৰ নাম কি?

(গ) অসমীয়া গদ্য সাহিত্যৰ জনক কোন?

(ঘ) 'ভানুমতী' উপন্যাসৰ ঔপন্যাসিকজনৰ নাম লিখা।

(ঙ) আধুনিক চুটিগল্পৰ মূল সূঁতি কেইটা?

(চ) মোপাঁছা কোন দেশৰ সাহিত্যিক?

(ছ) ছন্দ কেইবিধ?

(জ) 'বঙহৰদেউ' শব্দৰ অর্থ কি?

(ঝ) চেকভৰ সম্পূর্ণ নামটো লিখা।

(ঞ) 'নামঘোষা'ক আৰু কি নামেৰে জনা যায়?

২। সঠিক শব্দৰে খালীঠাই পূৰণ কৰি সম্পূর্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা । ১×৫ = ৫

(ক) গোৱাহে এবাৰ মোৰ _____ বিহংগিনী।

(খ) ৰবীন্দ্রনাথ ঠাকুৰে_____ পুথিৰ বাবে নোবেল পুৰস্কাৰ পাইছিল।

(গ) শ্যামলী পাতৰ _____ গুচাই কাৰ ফালে চাই মাৰিলি হাঁহি।

(ঘ) ঋনং কৃত্বা ঘৃতং _____।

(ঙ) দৰিদ্রৰ লাওলোটা _____ সঁজুলি।

৩। শুদ্ধ নে অশুদ্ধ লিখা (কেৱল শুদ্ধ বা অশুদ্ধ লিখিলেই হ'ব) ১×৫ = ৫

(ক) 'পুষ্পহাৰ' শব্দৰ অর্থ হ'ল ফুলৰ মালা বা নেক্‌লেছ।

(খ) 'চাংমাই' মানে ৰান্ধনি।

(গ) লক্ষ্মীনাথ বেজবৰুৱাক বিহগী কবি বুলি জনা যায়।

(ঘ) সন্ধ্যা, ললিতা, কান্তাক হেম বৰুৱাৰ জীয়ৰী বুলি কোৱা হয়।

(ঙ) চুটিগল্প আৰু উপন্যাসৰ মাজত কোনো পার্থক্য নাই।

SECTION – II

(*Marks* – 30)

৪। তলৰ যিকোনো **দহটা** প্ৰশ্নৰ উত্তৰ, পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (*পাঁচ* বা *ছয়টামান* শাৰীত) ঃ ৩×১০ = ৩০

(ক) বুৰঞ্জীমূলক উপন্যাস আৰু সামাজিক উপন্যাসৰ দুটা পার্থক্য লিখা। ১$\frac{১}{২}$ + ১$\frac{১}{২}$ = ৩

(খ) কবিতাত 'পর্ব' আৰু 'স্তবক' কাক বোলে? ১$\frac{১}{২}$ + ১$\frac{১}{২}$ = ৩

(গ) 'ভানুমতী' উপন্যাসৰ যিকোনো তিনিটা নাৰী চৰিত্ৰৰ নাম লিখা। ১ + ১ + ১ = ৩

(ঘ) উপন্যাসৰ যিকোনো তিনিটা উপাদানৰ নাম লিখা। ১ + ১ + ১ = ৩

(ঙ) ছন্দ কেইবিধ আৰু কি কি? ১ + ২ = ৩

(চ) চুটি গল্পৰ এটা সংজ্ঞা দিয়া। ৩

(ছ) চাৰু গোহাঞিৰ কেনেদৰে মৃত্যু হৈছিল? ৩

(জ) তলৰ শব্দকেইটাৰ অর্থ লিখা ঃ ১ + ১ + ১ = ৩

এনাই দেউতা; লাওলোটা, শ্যামলী।

(ঝ) 'খঙে কবিতা কৰে'— উক্ত কথাষাৰ কোনটো প্ৰবন্ধত আছে? প্ৰবন্ধটোৰ লেখকৰ নাম কি? ১$\frac{১}{২}$ + ১$\frac{১}{২}$ = ৩

(ঞ) শব্দালংকাৰ কাক বোলে? এটা উদাহৰণ দিয়া। ২ + ১ = ৩

(ট) 'ভাগৰুৱা পথিকৰ শান্তি নিকেতন'—এই কবিতাফাঁকি কোনটো কবিতাৰ পৰা লোৱা হৈছে? ইয়াত কবিয়ে কোনখন ঠাইক 'শান্তি নিকেতন' বুলি কৈছে? ১ + ২ = ৩

(ঠ) 'ভানুমতী' উপন্যাসৰ মূল চৰিত্ৰৰ সৈতে মৰান গোহাঞিৰ কি সম্পর্ক আছিল? ৩

(ড) 'ভিক্ষা' কবিতাটোৰ কবিজনৰ নাম কি? কবিতাটোত কাৰ পৰা কি ভিক্ষা লোৱাৰ কথা কৈছে? ১ + ২ = ৩

(PART : B — DESCRIPTIVE)

(*Marks* – 50)

৫। তলৰ যিকোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা। ১০

(ক) বিশ্ব সাহিত্য ৰচনা কৰাৰ প্ৰসংগত 'সাহিত্যৰ মূল কথা' প্ৰবন্ধৰ আলমত লেখকে দিয়া উপদেশসমূহ বহলাই লিখা। ১০

(খ) 'আধুনিক গল্প সাহিত্য' পাঠৰ আধাৰত চুটিগল্পৰ বিষয়ে এখন ৰচনা যুগুত কৰা। ১০

৬। তলৰ যিকোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা। ১০

(ক) 'বুৰঞ্জীমূলক উপন্যাস হিচাপে ভানুমতী'— এই শীৰ্ষক এটি আলোচনা আগবঢ়োৱা। ১০

(খ) 'ভানুমতী' উপন্যাসৰ যিকোনো এটি পুৰুষ চৰিত্ৰৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰা। ১০

৭। তলৰ যিকোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা। ১০

(ক) তলৰ যিকোনো এটা কবিতাৰ সাৰাংশ লিখা ঃ
শংকৰদেৱ; ভিক্ষা, গোলাপ।

(খ) 'বহাগীৰ বিয়া' কবিতাটোত প্ৰকৃতিৰ চিত্ৰ কেনেদৰে ফুটি উঠিছে, বৰ্ণনা কৰা।

৮। তলৰ যিকোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা। ১০

(ক) অলংকাৰ কাক বোলে ? শব্দালংকাৰ আৰু অৰ্থলংকাৰৰ সূত্ৰ লিখি উদাহৰণ দিয়া। ৫ + ৫ = ১০

(খ) তলৰ যিকোনো দুটাৰ সুত্ৰ লিখি উদাহৰণ দিয়া ঃ
চৰণ; ছবি; ৰূপক। ৫ + ৫ = ১০

৯। তলৰ যিকোনো এটা বিষয় বাছি লৈ **এখন** ৰচনা লিখা ঃ ১০

(ক) মেঘালয়ৰ প্ৰাকৃতিক সম্পদ।

(খ) তুমি উপভোগ কৰা এখন কথাছবি।

(গ) তোমাৰ জীৱনৰ লক্ষ্য।

(ঘ) বিজ্ঞানৰ অৱদান।

★★★